**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 12-08-2026
**Time :** 1:40 PM

ASSAMESE MIDDAY NSD BULLETIN
**HEADLINES**
**::::::: :::::::: ::::::: ::::::::**

১। নীটৰ বিষয়ক লৈ ছাত্ৰ-ছাত্ৰীৰ প্ৰতিবাদৰ সময়ত আৰক্ষীৰ ভূমিকাৰ বিৰুদ্ধে বিৰোধী পক্ষৰ সদস্যসকলে সদনত সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত আজি সংসদৰ দুয়োখন সদনৰ কাম-কাজ দিনৰ ২ বজালৈ স্থগিত ৰাখিবলগীয়া হয়।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কয়, যে ছাত্ৰ-ছাত্ৰীৰ প্ৰতিবাদকে ধৰি সাংসদসকলে সদনত উত্থাপন কৰা যিকোনো বিষয় আলোচনা কৰিবলৈ চৰকাৰ সম্পূৰ্ণ সাজু আছে।

৩। ৰে'লৰ প্ৰায় ৮৯ শতাংশ সংৰক্ষিত টিকট সম্প্ৰতি অনলাইনযোগে বুকিং কৰা হয় বুলি ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে প্ৰকাশ কৰিছে।

৪। মহাৰাষ্ট্ৰৰ ঘাটক'পাৰত আজি পুৱা ভূমিস্খলনত ৬ গৰাকী লোকৰ মৃত্যু হোৱাৰ লগতে ৪ গৰাকী আহত হয়। ***আৰু***

৫। ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাত আজি গ্ৰুপ-ডিৰ এখন খেলত NEROCA ফুটবল ক্লাব, এফ চি ৰেংডাইৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

নীটৰ বিষয়ক লৈ ছাত্ৰ-ছাত্ৰীৰ প্ৰতিবাদৰ সময়ত আৰক্ষীৰ ভূমিকাৰ বিৰুদ্ধে বিৰোধী পক্ষৰ সদস্যসকলে সদনত সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত আজি সংসদৰ দুয়োখন সদনেই দিনৰ ২ বজালৈ স্থগিত ৰাখিবলগীয়া হয়। দিনৰ ১১ বজাত লোকসভাৰ কাৰ্যক্ৰমণিকা আৰম্ভ হোৱাৰ পাছতে লোকসভাৰ অধ্যক্ষ ওম বিৰলাই প্ৰশ্নকাল আৰম্ভ কৰিবলৈ চেষ্টা চলায় যদিও বিৰোধী সাংসদসকলে নীটৰ বিষয়টোৰ লগতে অযোধ্যাৰ ৰাম মন্দিৰত দান বৰঙণিত হোৱা অনিয়মৰ বিষয়টো উত্থাপন কৰে। শ্ৰী বিৰলাই কয়, যে দেশে আজি আন্তঃৰাষ্ট্ৰীয় যুৱ দিৱস উদযাপন কৰিছে। তেওঁ কয়, যে ভাৰতৰ যুৱ প্ৰজন্মই শিক্ষা, বিজ্ঞান, মহাকাশ, বিজ্ঞান প্ৰযুক্তি, উদ্যমিতাকে ধৰি বিভিন্ন ক্ষেত্ৰত উল্লেখনীয় অগ্ৰগতি সাধন কৰিছে। শ্ৰী বিৰলাই কয়, যে দেশৰ যুৱ প্ৰজন্মৰ সামৰ্থ্যৰ বাবে ভাৰতে বিশ্বজুৰি স্বীকৃতি লাভ কৰিবলৈ সমৰ্থ হৈছে। যুৱ প্ৰজন্মই তেওঁলোকৰ সৈতে জড়িত বিষয়সমূহ সন্দৰ্ভত আলোচনা বিচাৰে বুলি অধ্যক্ষগৰাকীয়ে মন্তব্য কৰে।

বাইট (ওম বিৰলা)

অধ্যক্ষগৰাকীয়ে বিৰোধী সদস্যসকলক সদনৰ কাম-কাজ নিয়াৰিকৈ পৰিচালনাত সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়। তেওঁ কয়, যে নীতি আৰু মতৰ পাৰ্থক্য থাকিব পাৰে যদিও জনসাধাৰণে সংসদ সুকলমে পৰিচালিত হোৱাটো কামনা কৰে। শ্ৰী বিৰলাই কয়, যে চৰকাৰে বিৰোধী পক্ষৰ দাবী মানি লৈছে আৰু গৃহমন্ত্ৰী অমিত শ্বাহ সদনত বিবৃতি দিবলৈ সাজু। অধ্যক্ষগৰাকীয়ে বিৰোধী দলৰ সদস্যসকলক সংসদৰ গৰিমা লাঘৱ নকৰি প্ৰশ্নকাল সুকলমে পৰিচালনাত সহযোগিতা কৰিবলৈ আহ্বান জনায়। অৱশ্যে হুলস্থূলীয়া পৰিস্থিতি অব্যাহত থকাত লোকসভাৰ কাম-কাজ দিনৰ ২ বজালৈ স্থগিত ৰাখিবলগীয়া হয়।

ৰাজ্যসভাতো অনুৰূপ পৰিস্থিতিৰ সৃষ্টি হয়। দিনৰ ১১ বজাত সদন মিলিত হোৱাৰ পাছত সংশ্লিষ্ট দপ্তৰৰ মন্ত্ৰীসকলে নিজৰ প্ৰতিবেদনসমূহ দাখিল কৰে। প্ৰতিৰক্ষা বিভাগৰ সংসদীয় স্থায়ী সমিতি, বিত্ত, পৰিবহণ, পৰ্যটন আৰু সংস্কৃতি, কৃষি, পশুপালন, খাদ্য প্ৰসংস্কৰণ, কয়লা, খনি আৰু তীখা দপ্তৰৰ প্ৰতিবেদনসমূ সদনত দাখিল কৰা হয়। হুলস্থূলীয়া পৰিস্থিতিৰ মাজতে ৰাজ্যসভাৰ সভাপতি চি পি ৰাধাকৃষ্ণণে শূন্যকাল আৰম্ভ কৰে। চি পি আই এমৰ সাংসদ জন ব্ৰিটাছে এগৰাকী সাংসদে তেওঁৰ বিৰুদ্ধে কৰা আপত্তিজনক মন্তব্যৰ বিষয়টো সদনত উত্থাপন কৰে। ৰাজ্যসভাৰ সভাপতিয়ে কয়, যে সদনত অন্য সদস্যই বক্তব্য দাঙি ধৰাৰ সময়ত কেইবাগৰাকীও সদস্যই আপত্তিজনক মন্তব্য কৰা বিষয়টো তেওঁৰ দৃষ্টিগোচৰ হৈছে। শ্ৰী ৰাধাকৃষ্ণণে কয়, যে ভাৰতৰ সংস্কৃতি বিচিত্ৰ আঞ্চলিক সাংস্কৃতিক উপাদানেৰে পৰিপূৰ্ণ আৰু অনন্য হোৱা হেতুকে আনৰ সাংস্কৃতিক পৰম্পৰা বা আঞ্চলিক

পৰিচয়ক লৈ অসন্মান কৰা উচিত নহয়। হুলস্থূলীয়া পৰিস্থিতিৰ মাজতে বিজেপিৰ সাংসদ সৎনাম সিং সান্ধুৰে ৰাজহুৱা গুৰুত্বৰ বিষয়টো সদনত উত্থাপন কৰে। ইয়াৰ পাছতে ৰাজ্যসভাৰ সভাপতিয়ে সদন দিনৰ ২ বজালৈ স্থগিত ঘোষণা কৰে।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কয়, যে ছাত্ৰ-ছাত্ৰীৰ প্ৰতিবাদকে ধৰি সাংসদসকলে সদনত উত্থাপন কৰা যিকোনো বিষয় আলোচনা কৰিবলৈ চৰকাৰ সম্পূৰ্ণ সাজু আছে। সংসদ ভৱনৰ চৌহদত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰী শ্বাহে কয়, যে চৰকাৰৰ কোনো কথা লুকুৱাবলগীয়া নাই আৰু আলোচনাৰ বাবে সম্পূৰ্ণ সাজু। তেওঁ কয়, যে বিৰোধী পক্ষই বিয়লি ২ বজাৰ পূৰ্বে অধ্যক্ষৰ ওচৰত জাননী দাখিল কৰিলে ৩ বজাৰ পৰা এই বিষয়সমূহ লৈ আলোচনা আৰম্ভ কৰিব পৰা যায়। শ্ৰী শ্বাহে কয়, যে আলোচনা আৰম্ভ হ'লে তেওঁ সদনত উপস্থিত থাকি মন্ত্ৰীগৰাকীৰ সদস্যৰ বক্তব্য শুনিব। আলোচনাৰ অন্তত কাইলৈ বিয়লি ৩ বজাত তেওঁ উত্তৰ দিব বুলি গৃহমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

বাইট (অমিত)

শ্ৰী শ্বাহে কয়, যে নীটৰ বিষয়ক লৈ শিক্ষাৰ্থীৰ প্ৰতিবাদ সম্পৰ্কীয় প্ৰতিটো বিষয় আলোচনা কৰিবলৈ চৰকাৰ প্ৰস্তুত বুলি ইতিমধ্যে সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে প্ৰকাশ কৰিছে। গৃহমন্ত্ৰীগৰাকীয়ে বিৰোধী পক্ষই সদনৰ কাম-কাজ সুকলমে পৰিচালনা কৰিবলৈ নিদিয়া বুলি অভিযোগ তোলে। তেওঁ কয়, যে এনেধৰণৰ এটা গুৰুত্বপূৰ্ণ বিষয়ত সংসদৰ কাৰ্যপন্থা অনুসৰি আলোচনা অনুষ্ঠিত হোৱা উচিত।

০০০০০

ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয়, যে ৰে'লৰ প্ৰায় ৮৯ শতাংশ সংৰক্ষিত টিকট সম্প্ৰতি অনলাইনযোগে বুকিং কৰা হয়। লোকসভাত আজি এটা প্ৰশ্নৰ লিখিত উত্তৰত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ২০১৩-১৪ চনত প্ৰায় ৪৯ শতাংশহে অনলাইন বুকিং হৈছিল বুলি উল্লেখ কৰে। তেওঁ কয়, যে ডিজিটেল পদ্ধতিৰে সংৰক্ষিত আৰু অসংৰক্ষিত টিকট ক্ৰয়ৰ ব্যৱস্থাৰ সম্প্ৰসাৰণৰ লক্ষ্যৰে ৰে'লৱেই RailOne App মুকলি কৰিছে। এই এপৰ জৰিয়তে যাত্ৰীসকলে ম'বাইল ফোনৰ জৰিয়তে টিকট ক্ৰয় কৰিব পাৰে। ৰে'ল বাতিলৰ ক্ষেত্ৰত অনলাইন ই-টিকট ব্যৱস্থাই লগে লগে ৰে'ল এৰাৰ নিৰ্ধাৰিত সময় পাৰ হোৱাৰ পাছতে ধন ঘূৰাই দিয়াৰ প্ৰক্ৰিয়া আৰম্ভ কৰিব বুলি শ্ৰী বৈষ্ণৱে জানিবলৈ দিয়ে। ঘূৰাই দিয়া ধন প্ৰত্যক্ষভাৱে যাত্ৰীৰ বেংক একাউণ্টত সোমাব বুলি তেওঁ কয়।

০০০০০

লোকসভাৰ বিৰোধী পক্ষৰ নেতা ৰাহুল গান্ধীয়ে কয়, যে বিৰোধী পক্ষই নীটৰ প্ৰতিবাদকাৰীসকলৰ বিৰুদ্ধে আৰক্ষীৰ ভূমিকা সন্দৰ্ভত চৰকাৰৰ জৱাবদিহিতা বিচাৰিছে। সংসদ ভৱন চৌহদত আজি সাংবাদিকৰ আগত শ্ৰী গান্ধীয়ে কয়, যে বিৰোধী পক্ষ গৃহমন্ত্ৰীৰ কোনো ধৰণৰ বিবৃতিক লৈ আগ্ৰহী নহয়, বৰঞ্চ তেওঁলোকে গৃহমন্ত্ৰীৰ জৱাবদিহিতা বিচাৰিছে।

০০০০০

মহাৰাষ্ট্ৰৰ ঘাটক'পাৰ অঞ্চলত আজি পুৱাৰ ভাগত হোৱা ভূমিস্খলনৰ ঘটনাত ৬ গৰাকী লোকৰ মৃত্যু হোৱাৰ লগতে ৪ গৰাকী আহত হয়। বৃহনমুম্বাইৰ পৌৰ নিগম আৰু মুম্বাইৰ অগ্নিনিৰ্বাপক বাহিনীৰ তথ্যমতে এই দুৰ্ঘটনাটো ঘাটক'পাৰৰ চিৰাগনগৰত নিচেই পুৱা অৰ্থাৎ ৩ বাজি ৪৮ মিনিটত সংঘটিত হয়। প্ৰাথমিক প্ৰতিবেদন অনুসৰি এটা পাহাৰৰ অংশ এটা বহুমহলীয়া আবাসগৃহৰ ওপৰত খহি পৰাত এই দুৰ্ঘটনাটো সংঘটিত হয়। এই দুৰ্ঘটনাৰ পাছতে মুম্বাইৰ মেয়ৰ ঋতু টাৱ'ড়ে আৰু পৌৰ আয়ুক্ত ড০ অবিনাশ ধাকনেই ক্ষতিগ্ৰস্ত অঞ্চল পৰিদৰ্শন কৰাৰ লগতে ক্ষয়-ক্ষতিৰ বুজ লয় আৰু উদ্ধাৰ কাৰ্যৰ পৰ্যবেক্ষণ কৰে। মুম্বাইৰ অগ্নিনিৰ্বাপক বাহিনী, মুম্বাই আৰক্ষী আৰু ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰী বাহিনীয়ে যৌথভাৱে উদ্ধাৰ অভিযান চলাই আছে।

০০০০০

কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে আজি বিয়লি ভিডিঅ' কনফাৰেন্সিং মাধ্যমেৰে গ্ৰামীণ জ্ঞান সেতু এপ মুকলি কৰিব। গুজৰাটৰ গান্ধীনগৰৰ সমগ্ৰ লোকসভা সমষ্টিৰ পুথি ভঁৰালসমূহক একত্ৰিত কৰিবলৈ এই এপটো উন্নীত কৰা হৈছে।

০০০০০

নেপালত থকা ভাৰতীয় দূতাবাস আৰু বিভিন্ন নেপালী চৰকাৰী সংস্থাই ভাৰতীয় অনুদান সাহায্য ব্যৱহাৰ কৰি সমগ্ৰ শিক্ষা, স্বাস্থ্য আৰু কৃষি খণ্ডত আঠটা প্ৰকল্প ৰূপায়ণৰ বাবে বুজাবুজিৰ চুক্তিপত্ৰত চহী

কৰে। প্ৰায় ৮০৩ মিলিয়ন নেপালী টকাৰ জৰিয়তে এই আঠটা উন্নয়নমূলক পদক্ষেপ নেপাল চৰকাৰৰ অধীনস্থ স্থানীয় চৰকাৰী সংস্থা আৰু প্ৰতিষ্ঠানৰ জৰিয়তে কাৰ্যকৰী হ'ব।

দূতাবাসে জনোৱা মতে ভাৰতৰ হাই ইমপেক্ট কমিউনিটি ডেভেলপমেণ্ট প্ৰজেক্টছ (এইচআইচিডিপি)ৰ অধীনত নিৰ্বাচিত এই আঁচনিসমূহ হিমালয়ৰ পাদদেশত থকা জাতি জনগোষ্ঠীৰ লোকসকলৰ বসতিপূৰ্ণ বিভিন্ন অঞ্চলত প্ৰৱৰ্তন কৰা হ'ব। কাঠমাণ্ডুত থকা ভাৰতৰ দূতাবাস, নেপালৰ ভূমি ব্যৱস্থাপনা, সমবায়, ফেডাৰেল পৰিক্ৰমা আৰু সাধাৰণ প্ৰশাসন মন্ত্ৰালয়ৰ লগতে নেপালী প্ৰশাসনৰ নিৰ্দিষ্ট প্ৰকল্প সম্পাদন কৰ্তৃপক্ষৰ মাজত এই চুক্তি স্বাক্ষৰিত হয়। ভাৰতীয় দূতাবাসে উল্লেখ কৰা অনুসৰি এই উদ্যোগসমূহৰ জৰিয়তে স্বাস্থ্য, শিক্ষা আৰু কৃষি খণ্ড সামৰি লোৱা মূল অগ্ৰাধিকাৰ ক্ষেত্ৰসমূহত অগ্ৰগতি বৃদ্ধি কৰা।

ooooo

১৩৫ সংখ্যক ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাত আজি গ্ৰুপ-ডিৰ এখন খেলত NEROCA ফুটবল ক্লাব, এফ চি ৰেংডাইৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন বিয়লি ৪ বজাত ইম্ফলৰ খুমান লাম্পাক মেইন ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। ইপিনে সন্ধিয়া ৭ বজাত কলকাতাৰ কিশোৰ ভাৰতী ক্ৰীড়াংগণত হ'বলগীয়া গ্ৰুপ-বিৰ এখন খেলত মহমেদান স্পৰ্টিং ক্লাব, ইণ্ডিয়ান আৰ্মী ফুটবল টীমৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

প্ৰতিযোগিতাত নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাব কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। দলটোৱে কালি গুৱাহাটীৰ সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত অনুষ্ঠিত গ্ৰুপ-এফ পৰ্যায়ৰ নিজৰ অন্তিমখন খেলত এফ চি ৰানক ৩-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে।

ooooo

সমাপ্ত